**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। পঞ্চায়ত নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিন। বিজেপিৰ প্ৰথমখন প্ৰাৰ্থীৰ তালিকা চূড়ান্ত।

২। কেন্দ্ৰীয় চৰকাৰৰ বাংলাদেশক প্ৰদান কৰি অহা পণ্য পৰিবহণৰ সুবিধা বাতিল। এই সিদ্ধান্তক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ  আদৰণি।

৩। কৃষিত জলবায়ুৰ অস্বাভাৱিক পৰিৱৰ্তনৰ কু-প্ৰভাৱ সন্দৰ্ভত ৰাজ্যপালৰ উদ্বেগ।

৪। গল্পকাৰ পাপৰি বৰ্মনলৈ ভাৰতীয় ভাষা পৰিষদৰ যুৱ পুৰস্কাৰ। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে গুজৰাট টাইটানছৰ ৫৮ ৰানত জয়লাভ।

oooooo

oooooo

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰাৰ্থীৰ মনোনয়ন দাখিলকে ধৰি অন্যান্য প্ৰস্তুতি অব্যাহত আছে। কাইলৈ নিৰ্বাচনৰ মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ সামৰণি পৰিব। জিলা প্ৰশাসনসমূহে নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে আগতীয়াকৈ সকলো দিশ চোৱাচিতা কৰিছে। কামৰূপ নিৰ্বাচনী জিলাই ৩৮ গৰাকী আৰু ৰঙিয়া সমজিলাই ৪ গৰাকী প্ৰিজাইডিং বিষয়া নিয়োগ কৰিছে। জিলা পৰিষদৰ সদস্যৰ মনোনয়ন পত্ৰ সংগ্ৰহ আৰু দাখিলৰ বাবে ইতিমধ্যে অতিৰিক্ত আয়ুক্ত, সমজিলা আয়ুক্ত, আঞ্চলিক পঞ্চায়তৰ বাবে সহকাৰী জিলা আয়ুক্ত আৰু পঞ্চায়ত সমষ্টিৰ ৱাৰ্ড সদস্যৰ বাবে উন্নয়ন খণ্ড বিষয়াসকলক নিয়োগ কৰা হৈছে। প্ৰাৰ্থীসকলে নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়তে সংশ্লিষ্ট মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব।

ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী তৎপৰতা দেখিবলৈ পোৱা গৈছে। ডিব্ৰুগড় জিলাত বিজেপিৰ বৰবৰুৱা, লৰুৱা আৰু খোৱাং মণ্ডলৰ উদ্যোগত কালি নাওজান ৰাজহুৱা প্ৰেক্ষাগৃহত সক্ৰিয় সদস্যসকলৰ এখন সন্মিলন অনুষ্ঠিত হয়। সভাত সমাগত পঞ্চায়ত নিৰ্বাচনত দলীয় কৰ্মকৰ্তাসকলে ল'বলগীয়া দায়িত্বৰ উপৰি নিৰ্বাচনৰ ৰণনীতি সন্দৰ্ভত আলোচনা কৰে।

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি নিৰ্বাচনী বিষয়াৰ অধ্যক্ষতাত সমাগত পঞ্চায়ত নিৰ্বাচনৰ সৈতে সংগতি ৰাখি মূল প্ৰশিক্ষক সকলক তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে অৱগত কৰাৰ উদ্দেশ্যে প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলাখনৰ আয়ুক্তগৰাকীয়ে নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে মূল প্ৰশিক্ষক সকলক দিয়া দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ আহ্বান জনায়।

গোলাঘাট বিধানসভা সমষ্টিত বিজেপি নেত্ৰী তথা বিত্তমন্ত্ৰী অজন্তা নেওগে কালি দলীয় প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ পৰ্যবেক্ষণ কৰে। জিলাখনত পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈ-

**ভইচ (হিৰণ্য গগৈ)**

০০০০০০

অহা ২ আৰু ৭ মে’ত দুটা পৰ্যায়ত হ’বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিজেপিয়ে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰিছে। বিজেপিয়ে অগপ, ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতি আৰু গণ শক্তিৰে মিত্ৰজোঁট গঠন কৰি আসন্ন পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই নিৰ্বাচনত ৩৯৭ খন জিলা পৰিষদৰ আসনৰ ভিতৰত ৩১৮ খন আসনত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। গুৱাহাটী ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত দলৰ সাধাৰণ সম্পাদক পল্লৱলোচন দাস আৰু দিপ্লুৰঞ্জন শৰ্মাই এইকথা প্ৰকাশ কৰে। বিজেপি মিত্ৰজোঁটৰ আসন বুজাবুজি সন্দৰ্ভত সবিশেষ জনাইছে গুৱাহাটীৰ পৰা আমাৰ সংবাদদাতা হেমন্ত বৰাই—-

**ভইচ (হেমন্ত বৰা)**

মিত্ৰদল গণ শক্তি আৰু ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিয়ে এই নিৰ্বাচনত বিজেপিৰ প্ৰতীকত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱাৰ হেতু তেওঁলোকৰ সংখ্যাও বিজেপিৰ প্ৰাৰ্থীৰ তালিকাৰ ভিতৰতে সন্নিৱিষ্ট হৈ আছে। বিজেপিৰ সাংগঠনিক জিলা অনুসৰি দলটোৱে জিলা পৰিষদত বজালীৰ ৩ খন, বৰপেটাৰ ৯ খন, বিলাসীপাৰাৰ ৪ খন, বিশ্বনাথৰ ১২ খন, বঙাইগাঁৱৰ ৬ খন, কাছাৰত ২৩ খন, চৰাইদেউৰ ৮ খন, দৰঙৰ ৮ খন, ধেমাজিৰ ১০ খন, ঢকুৱাখনাৰ ৪ খন, ধুবুৰীৰ ৯ খন, ডিব্ৰুগড়ৰ ১৯ খন, গোৱালপাৰাৰ ৯ খন, গোলাঘাটৰ ১৭ খন, গুৱাহাটী ৫ খন, হাইলাকান্দিৰ ৫ খন, হোজাইৰ ৯ খন, যোৰহাটৰ ১৫ খন, কলিয়াবৰৰ ৫ খন, লখিমপুৰৰ ১৩ খন, মাজুলীৰ ৪ খন, মৰিগাঁৱৰ ১০ খন, নগাঁৱৰ ১৪ খন, নলবাৰীৰ খন, উত্তৰ কামৰূপৰ ১২ খন, শ্ৰীভূমিৰ ১২ খন, শিৱসাগৰৰ ১১ খন, শোণিতপুৰৰ ১৮ খন, দক্ষিণ কামৰূপৰ ৫ খন আৰু তিনিচুকীয়াৰ ২১ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। গণ শক্তিয়ে জোনাইৰ ৪ খন, মাজুলী আৰু ঢকুৱাখনাত এখনকৈ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিয়ে গোৱালপাৰা আৰু দক্ষিণ শালমাৰাত প্ৰতিদ্বন্দ্বিতা কৰিব। এইপৰ্যন্ত মিত্ৰদল অগপক জিলা পৰিষদৰ ৭৩ খন আসন এৰি দিয়া হৈছে বুলি সংবাদমেলত প্ৰকাশ কৰা হয়। ছখন আসনক লৈ প্ৰাৰ্থী তালিকা এতিয়াও চূড়ান্ত হোৱা নাই।

ইপিনে ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে আভ্যন্তৰীণ সংঘাতৰ বাবে এতিয়ালৈকে প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰিব পৰা নাই।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ১২ৰ পৰা ২১ এপ্ৰিললৈ ইতিপূৰ্বে ঘোষণা কৰা বন্ধৰ দিনকেইটাত সকলো শিক্ষক-কৰ্মচাৰীক বিশ্ববিদ্যালয়ত উপস্থিত থাকিবলৈ আন এটা নিৰ্দেশ জাৰি কৰিছে। সমাগত পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এই নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ব’হাগ বিহু, গুড ফ্ৰাইডে আৰু সতী সাধনী দিৱস উপলক্ষে ১২ৰ পৰা ২১ এপ্ৰিললৈ বন্ধ ঘোষণা কৰিছিল।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে বাংলাদেশক প্ৰদান কৰি অহা ভাৰতৰ মাজেৰে তৃতীয় দেশলৈ পণ্য পৰিবহণৰ সুবিধা বাতিল কৰিছে। বাংলাদেশে ভাৰতৰ শুল্ক বিভাগৰ ষ্টেচন, বন্দৰ আৰু বিমান বন্দৰ ব্যৱহাৰ কৰি ভূটান, নেপাল আৰু ম্যানমাৰ সহ কেইবাখনো ৰাষ্ট্ৰলৈ উৎপাদিত সামগ্ৰী ৰপ্তানি কৰি আহিছিল। কেন্দ্ৰীয় চৰকাৰে কালি এখন জাননীযোগে ২০২০ চনৰ ২৯ জুনৰ পৰা বাংলাদেশক দিয়া এই পণ্য পৰিবহণৰ সুবিধা তাৎক্ষণিকভাৱে বাতিল কৰে। উল্লেখযোগ্য যে মাৰ্চৰ শেষ সপ্তাহত চীন ভ্ৰমণৰ সময়ত বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছে উত্তৰ পূৰ্বাঞ্চলক স্থল পৰিৱেষ্টিত অঞ্চল বুলি কৈ অঞ্চলটোত সমুদ্ৰলৈ যোৱাৰ কোনো পথ নাই বুলি মন্তব্য কৰিছিল। তেওঁ লগতে অঞ্চলটোৰ সমুদ্ৰত বাংলাদেশহে অভিভাৱক আৰু অঞ্চলটোত ব্যৱসায় সম্প্ৰসাৰণৰ বাবে চীনক আমন্ত্ৰণ জনাইছিল। ইয়াৰ পাছতে ভাৰতৰ ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰপ্তানিকৃত সামগ্ৰী বিভিন্ন দেশলৈ প্ৰেৰণৰ ক্ষেত্ৰত ভাৰতৰ মাজেৰে বাংলাদেশক দিয়া পৰিবহণৰ সুবিধা প্ৰত্যাহাৰৰ সিদ্ধান্তৰ প্ৰতি আদৰণি জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কৈছে, যে এই সিদ্ধান্তই ৰাষ্ট্ৰীয় স্বাৰ্থ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ নিৰাপত্তাৰ প্ৰতি থকা কেন্দ্ৰীয় চৰকাৰৰ দায়বদ্ধতাকে প্ৰতিফলিত কৰিছে। এই পদক্ষেপে কৌশলগত আৰু অৰ্থনৈতিক অগ্ৰাধিকাৰ সুৰক্ষিত কৰাৰ দিশত থকা চৰকাৰৰ দৃঢ় স্থিতিকো উপস্থাপন কৰিছে বুলি ডঃ শৰ্মাই প্ৰকাশ কৰে।

০০০০০০

আজি মহাবীৰ জয়ন্তী। ২৪ সংখ্যক তথা শেষৰ জন জৈন তীৰ্থংকৰ ভগৱান মহাবীৰৰ জন্মবাৰ্ষিকী দেশৰ বিভিন্ন অংশত উলহ-মালহেৰে উদযাপন কৰা হৈছে। জৈন ধৰ্মাৱলম্বীলোকসকলৰ বাবে এই দিনটো অতিকে পৱিত্ৰ বুলি গণ্য কৰা হয়।

অসমতো জৈন ধৰ্মাৱলম্বী লোকসকলে ধৰ্মগুৰুগৰাকীৰ জয়ন্তী উলহ-মালহেৰে পালন কৰিছে। মহাবীৰ জয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। মহাবীৰৰ নৈতিক শিক্ষা আৰু আদৰ্শ স্মৰণেৰে জীৱনত আগবাঢ়ি যাবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সকলোকে আহ্বান জনাইছে।

০০০০০০

জলবায়ুৰ অস্বাভাৱিক পৰিৱৰ্তনে কৃষিত কু-প্ৰভাৱ পেলায় বুলি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই প্ৰকাশ কৰিছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ ২৫ সংখ্যক সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে কালি এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে কৃষিৰ স্নাতকসকলে কৃষক, সমাজ আৰু জাতিৰ সেৱাৰ বাবে জ্ঞান আৰু দক্ষতাক ব্যৱহাৰ কৰি দলীয় মনোভাৱেৰে কাম কৰা উচিত। আত্মনিৰ্ভৰ ভাৰত আৰু আত্মনিৰ্ভৰ অসমৰ বাবে কৃষিখণ্ডৰ অৱদান গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে চৰকাৰে কৃষি খণ্ডৰ বিকাশ আৰু কৃষকসকলৰ সমৃদ্ধিৰ বিষয়ে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে চাহ, মাজুলী চাউল, তেজপুৰৰ লিচু আৰু জহা চাউলকে ধৰি ৰাজ্যৰ ভালেমান সামগ্ৰীয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুকীয়া পৰিচয় গঢ়ি তোলাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। অনুষ্ঠানত মুঠ ৫৪৮ গৰাকী শিক্ষাৰ্থীক স্নাতক, স্নাতকোত্তৰ আৰু পি এইচ ডি ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। এই সমাৱৰ্তনতে অৰণ্য মানৱ মানৱ হিচাপে খ্যাত যাদৱ পায়েং আৰু গ্ৰীণ অস্কাৰ বিজয়ী পূৰ্ণিমা দেৱী বৰ্মনক সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হয়।।

০০০০০০

গছ-বিৰিখে কুঁহিপাত সলাই, কুলি-কেতেকীয়ে গীত জুৰি বসন্তৰ আগজাননী দিয়াৰ লগে লগে অসমবাসী হেঁপাহৰ ৰঙালী বিহু পালনৰ বাবে সাজু হৈছে। উজনিৰ পৰা নামনিলৈ বিহুৰ আখৰা কৰা ঢেকাৰ ঢোলৰ গুমগুমনি আৰু নাচনীৰ নাচোনৰ চেৰেত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। বিহুলৈ মাজত তিনিটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণৰ মনত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। প্ৰতিকূল সময়ৰ প্ৰত্যাহ্বান নেওচি অসমীয়াই বছৰি হেঁপাহৰ উৎসৱটি পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰি আহিছে। এইবাৰো চৌদিশে পঞ্চায়ত নিৰ্বাচনৰ ব্যস্ততাৰ মাজতো অসমবাসীৰ বিহুৰ উৎসাহ অটুট আছে। গুৱাহাটী মহানগৰীত বিহুৰ প্ৰস্তুতি অব্যাহত থকাৰ লগতে অসমীয়া নৱবৰ্ষৰ বাবে নতুন সাজ-পাৰ ক্ৰয় কৰি আপোনজনক উপহাৰ দিয়াৰ বাবে জনসাধাৰণে বজাৰসমূহত ভিৰ কৰা পৰিলক্ষিত হৈছে। ইপিনে, ভৌগালিক সূচাংক লাভ কৰা গামোচাৰ চাহিদা বৃদ্ধি হোৱাৰ বিপৰীতে প্ৰশাসনে বহিঃৰাজ্যত প্ৰস্তুত কৰা যন্ত্ৰচালিত শালত প্ৰস্তুত কৰা গামোচাৰ আমদানি ৰোধ কৰাৰ ব্যৱস্থা কৰিছে। আনহাতে, ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে।

ইপিনে, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত আৰু জিলা প্ৰশাসনসমূহৰ সহযোগত ৰাজ্যৰ বিভিন্ন ঠাইত অসমী ব'হাগী মেলা-২০২৫ অনুষ্ঠিত হৈছে। গুৱাহাটী মহানগৰীৰ হেঙেৰাবাৰীস্থিত অমৃত উদ্যানত ৪ দিনীয়া কাৰ্যসূচীৰে অসমী ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। ১২ এপ্ৰিললৈকে চলিবলগীয়া এই ব'হাগী মেলাৰ কালি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব পুষ্পাঞ্জলি দাসে শুভাৰম্ভ কৰে। আত্মসহায়ক গোটৰ সদস্যসকলে উৎপাদন কৰা সামগ্ৰীসমূহ বিক্ৰীৰ বাবে এখন নিৰ্ধাৰিত বজাৰ দিয়াৰ উদ্দেশ্যৰে এই মেলাসমূহৰ আয়োজন কৰা হৈছে।

ডিমা হাচাও জিলাৰ হাফলঙৰ লালফিল্ডতো ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। অহা ১১ এপ্ৰিললৈকে চলিবলগীয়া এই ব'হাগী মেলাত পাহাৰীয়া জিলাখনৰ জনজাতীয় সামগ্ৰীসমূহ উপলব্ধ হ'ব।

০০০০০০

ৰাজ্যৰ বিশিষ্ট গল্পকাৰ পাপৰি বৰ্মনলৈ ভাৰতীয় ভাষা পৰিষদে চলিত বৰ্ষৰ যুৱ পুৰস্কাৰ আগবঢ়াইছে। গল্পকাৰগৰাকীক অহা ১ মে'ত কলকাতাত আয়োজিত এটা অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব। এই বঁটাত আছে – নগদ ৫১ হাজাৰ টকা, প্ৰশস্তি পত্ৰ আৰু অংগবস্ত্ৰ। অসমীয়া সাহিত্য জগতলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে পৰিষদে গল্পকাৰগৰাকীলৈ এই বঁটা আগবঢ়োৱা বুলি জানিবলৈ দিছে। ভাষা পৰিষদে আগবঢ়োৱা এই বঁটা সন্দৰ্ভত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ সৈতে হোৱা কথা-বতৰাত গল্পকাৰগৰাকীয়ে এইদৰে কয়--

**বাইট-**

উল্লেখযোগ্য যে 'পৰুৱা পোহনীয়া' শীৰ্ষক গল্প সংকলনখনৰ বাবে তেওঁ ২০২৪ বৰ্ষৰ মুনীন বৰকটকী বঁটা লাভ কৰিছিল।

০০০০০০

গুজৰাট টাইটানছে যোৱানিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছক ৫৮ ৰানত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ২১৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৯ ৰানহে কৰিবলৈ

সমৰ্থ হয়। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২১৭ ৰান কৰে। গুজৰাটৰ হৈ ছাই সুদৰ্শনে ৫৩টা বলত ৮২ ৰান কৰে। সুদৰ্শনক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। এই জয়ৰ সুবাদত গুজৰাট প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষলৈ উন্নীত হৈছে। ৰাজস্থান ৰয়েলছ সপ্তম স্থানত আছে।

প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু চীনৰ মাজত চলি থকা বাণিজ্যিক যুদ্ধ, একেখন যুদ্ধৰ পৰিণতিত ভাৰতত উৎপাদিত ঔষধত আমেৰিকাই বৃহৎ শুল্ক আৰোপ কৰাৰ সম্ভাৱনা, ভাৰতৰ ভূমি ব্যৱহাৰ কৰি আন দেশলৈ সামগ্ৰী ৰপ্তানিত বাংলাদেশক ভাৰতৰ বাধা, শিক্ষা বিভাগৰ দ্বাৰা শিক্ষকসকলৰ বিদ্যালয়ত উপস্থিতিৰ ক্ষেত্ৰত নতুন নিৰ্দেশনা জাৰিকে ধৰি কেইবাটাও বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

বাংলাদেশে ভাৰতৰ মাজেদি তৃতীয় দেশলৈ চলাই অহা বাণিজ্য দেশৰ প্ৰত্যক্ষ কৰ আৰু শুল্ক ব'ৰ্ডে নিৰ্দেশনা যোগে বন্ধ ঘোষণা কৰাৰ বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। বাতৰিটো **দা ছেণ্টিনেল** কাকতে 'India scraps transhipment facility for Banglades's export cargo' শিৰোনামেৰে প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতেও বাতৰিটোক গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আমেৰিকা আৰু চীনৰ মাজত চলি থকা বাণিজ্যিক যুদ্ধৰ পৰিণতিত আমেৰিকাই চীনৰ পৰা আমদানিকৃত সামগ্ৰীৰ ওপৰত আৰোপ কৰা প্ৰতিশুল্কৰ বিপৰীতে চীনেও একেই পন্থা অৱলম্বন কৰাৰ বাতৰিটোক **দা টাইমছ্ অব্ ইণ্ডিয়া**কে ধৰি কেইবাখনো বাতৰি কাকতে আজি প্ৰথম পৃষ্ঠাত স্থান দিছে।

আমেৰিকা আৰু চীনৰ এই সংঘাতৰ পৰিণতিত ঔষধৰ মূল্য বৃদ্ধিৰ সম্ভাৱনা ব্যক্ত কৰি **অসমীয়া খবৰ** কাকতে 'আকাশলংঘী হ'ব ঔষধৰ দাম!' আৰু **দৈনিক অগ্ৰদূত** কাকতে 'এইবাৰ ভাৰতত উৎপাদিত ঔষধত বৃহৎ শুল্ক আৰোপৰ যো-জা ট্ৰাম্পৰ' শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে।

শিক্ষা বিভাগে বিদ্যালয়ত শিক্ষকৰ উপস্থিতি আৰু বিদ্যালয় ছুটীক লৈ জাৰি কৰা নিৰ্দেশনা সম্পৰ্কীয় বাতৰিটো **আমাৰ অসম** কাকতে 'পুৱা ৯ বজাৰ পূৰ্বেই স্কুললৈ আহিব লাগিব শিক্ষক, অন্যথা দৰমহা কৰ্তন' আৰু **দৈনিক জনমভূমি** কাকতে 'শিক্ষা সেতু এপ, বিদ্যালয়ত পাঠদানক লৈ জিলা মিচন সমন্বয়কে জাৰি কৰিলে কঠোৰ নিৰ্দেশনা, তিনিদিন এপত উপস্থিতিত পলম হ'লে এদিনৰ দৰমহা কৰ্তন' শিৰোনামেৰে প্ৰকাশ কৰিছে। বাতৰিটোক **নিয়মীয়া বাৰ্তা** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

গুৱাহাটী-ডিব্ৰুগড় আৰু তেজপুৰকে ধৰি দেশৰ ২৪ খন চহৰত ৱাটাৰ মেট্ৰ'ৰ সম্ভাৱনীয়তা অধ্যয়নৰ প্ৰস্তাৱত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনোৱাৰ বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে 'Plan for Water Metro in Three Assam Cities' শিৰোনামেৰে গুৰুত্বপূৰ্ণ বাতৰিৰূপে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দা টাইম্ছ**

**অব্ ইণ্ডিয়া** কাকতে ৰিজাৰ্ভ বেংকে ৰেপ' হাৰ হ্ৰাস কৰাৰ ফলত ঋণৰ সুদৰ হাৰ কমাৰ সম্ভাৱনা থকাৰ এটা বাতৰি মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

এতিয়া আহক বাতৰিৰ মাজলৈ উভতি যাওঁ।

oooooo

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়া বৰষুণ  হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত